স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

□ চতুৰ্দশ বছৰ □ সংখ্যা ২২৮ □ শুকুৰবাৰ □ ৮ কাতি ১৯৪৬ শক □ ২৫ অক্টোবৰ ২০২৪ চন □ VOL-14 □ NO-228 □ FRIDA

# কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ কানৈ কলেজ

## ডিব্ৰুগড় মাণ্ডলিক আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতা



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৪ অক্টোবৰ ঃ** অসম কলেজ শিক্ষক সংস্থা ডিব্ৰুগড় মণ্ডলৰ মহিলা কোষৰ উদ্যোগত আৰু ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত ডিব্ৰুগড় মাণ্ডলিক আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত ডি এইচ এছ কানৈ মহাবিদ্যালয়ে প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰাৰ লগতে ডিব্ৰু মহাবিদ্যালয়ৰ দলটিয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰে। অসম কলেজ শিক্ষক সংস্থা কানৈ মহাবিদ্যালয় গোটৰ দ্বাৰা কালি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ ১০ পৃষ্ঠাত

## সাপেখাতীত দুৰ্ঘটনাত যুৱকৰ মৃত্যু

**বিশেষ বাৰ্তা, সোণাৰি, নিয়মীয়া বাৰ্তা, সাপেখাতী, ২৪ অক্টোবৰ ঃ** চৰাই দেউ জিলাৰ সাপেখাতী আৰক্ষী থানাৰ অন্তৰ্গত ৫২নং ৰাষ্ট্ৰীয় ঘাইপথৰ সাপেখাতী ৰে'লৱে অভাৰব্ৰিজৰ ওপৰত ২২ অক্টোবৰত

সম

বিশেষ
গোলাঘ
কঠালগু
চক্ৰ কা
স্মাৰক
সমজিল
সমগ্ৰ অ
ব্যৱস্থা
হোৱাৰ
লৈ ই

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ চতুৰ্দশ বছৰ □ সংখ্যা ২২৮ □ শুকুৰবাৰ □ ৮ কাতি ১৯৪৬ শক □ ২৫ অক্টোবৰ ২০২৪ চন □ VOL-14 □ NO-228 □ FRID

ত দুজনৰ

ঘটনাস্থলীতে নিহত
থত মৃত্যু হয় বুলি
াকৰ ছাঁ পেলাইছে
ীক্ষা কৰিপৰিয়ালৰ

ক্ষকৰ

নিচুকীয়া, ওদালগুৰি,
লিটেকনিকৰ লগতে
২০২১ চনত অসম

## কুইজ প্ৰতিযোগিতাত শ্ৰেষ্ঠ

সভাকক্ষত অনুষ্ঠিত প্ৰতিযোগিতাত সভাপতিত্ব কৰে কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ড° চন্দনা গোস্বামীয়ে। অসম কলেজ শিক্ষক সংস্থা কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ড° উত্তম মহনে আঁত ধৰা অনুষ্ঠান উদ্বোধন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ডিব্ৰুগড় মণ্ডলৰ অন্তৰ্গত ১৪খন মহাবিদ্যালয়ৰ মুঠ ১৬টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন পৰিচালনা কৰে ধেমাজি কুইজ ফ'ৰামৰ সভাপতি, চিলাপথাৰ ৰেছিডেন্সিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক চিৰঞ্জীৱ শইকীয়াই। অনুষ্ঠানত অসম কলেজ শিক্ষক সংস্থাৰ শৈক্ষিক সম্পাদক ড° বিজু মৰাণ, অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ড° দীপংকজ গগৈ, ডিব্ৰুগড় মণ্ডলৰ সভাপতি ড° দীলিপ বণিয়া, সম্পাদক কল্পনা বৰা, মহিলা কোষৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অনুমণি গগৈ, মাঞ্চলিক মহিলা কোষৰ সম্পাদক ড° পদ্মা দত্ত, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীকে ধৰি ডিব্ৰুগড় মণ্ডলৰ মহাবিদ্যালয়সমূহৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।